**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-09 -2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

-------------------

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি হোজাই জিলাত ৩১ হাজাৰ ৯১০ গৰাকী মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত চেক প্ৰদান কৰে। এই অভিযানৰ জৰিয়তে কৃষি, পশুপালন, বয়নশিল্প, হস্তশিল্পকে ধৰি বিভিন্ন খণ্ডত স্বাৱলম্বী মহিলা উদ্যমীসকল উপকৃত হব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। ড° শৰ্মাই জিলা সদৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ খেল পথাৰত আয়োজিত অনুষ্ঠানত এই কাৰ্যসূচীত অংশ লয়। ইয়াৰ পাছত তেওঁ ডবকাত নৱ নিৰ্মিত গীতাশ্ৰম উদ্বোধন কৰাৰ লগতে গোপাল জীউ মন্দিৰত পূজা অৰ্চনা কৰে। মুখ্যমন্ত্ৰীয়ে হোজাইৰ সাগৰবস্তিৰ ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ নতুন চৌহদো মুকলি কৰে। বিশ্ববিদ্যালয়ৰ ছাৰ জগদীশ চন্দ্ৰ বসু চৌহদ মুকলি কাৰ্যসূচীত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, হোজাই সমষ্টিৰ বিধায়ক ৰামকৃষ্ণ ঘোষেও অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ৫৭ কোটি ৩৪ লাখ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ চৌহদত উপাচাৰ্যৰ কাৰ্যালয়, প্ৰশাসনিক কাৰ্যালয়, ডিজিটেল শ্ৰেণীকোঠা, গৱেষণা আৰু গৱেষক কক্ষ, সন্মিলন কক্ষ, ফেকাল্টি কক্ষ, কম্পিউটাৰ লেব'ৰেটৰী, স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীকোঠা আদি থকাৰ লগতে উদ্যানশস্য আদিৰো ব্যৱস্থা আছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এইদৰে কয়।

০০০০

ডিব্ৰুগড় জিলা প্ৰশাসনৰ মহিলা সবলীকৰণ কেন্দ্ৰই অসম চিকিৎসা মহাবিদ্যালয়ৰ সহযোগত নাহৰতলী চাহ বাগিছা আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত কিশোৰ-কিশোৰীসকলৰ মানসিক স্বাস্থ্য সম্পৰ্কত এখন সজাগতা সভা অনুষ্ঠিত কৰে। সভাখনত অসম চিকিৎসা মহাবিদ্যালয়ৰ মনোৰোগ চিকিৎসক ডাঃ প্ৰয়াসী কাশ্যপ আৰু গৱেষক কিৰণ ৰাজকুমাৰী সমল ব্যক্তি হিচাপে উপস্থিত থাকে। কিশোৰ-কিশোৰীসকলৰ মানসিক স্বাস্থ্যৰ বিকাশ আৰু এই ক্ষেত্ৰত ল'ব লগা সাৱধানতাৰ বিষয়ে সজাগতা সৃষ্টি কৰিবলৈ শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকৰ ভূমিকা সন্দৰ্ভত সমল ব্যক্তি দুগৰাকীয়ে সাৰুৱা বক্তব্য প্ৰদান কৰে। অনুষ্ঠানটোত বিদ্যালয়খনৰ শিক্ষকসকলৰ লগতে জিলা মহিলা সবলীকৰণ কেন্দ্ৰৰ কৰ্মকৰ্তাসকল উপস্থিত থাকে।

০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নৱজাতকৰ আই চি ইউ বেডৰ পৰা পৰি এটি শিশুৰ মৃত্যু হোৱা ঘটনা সন্দৰ্ভত চিকিৎসকসহ ৭ জনৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে। চিকিৎসা মহাবিদ্যালয়খনৰ অধীক্ষক ডাঃ দেৱজিত চৌধুৰীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে, এই ঘটনা সন্দৰ্ভত হাস্পতালখনৰ শিশু চিকিৎসা বিভাগৰ মুৰব্বী ডাঃ অনুপমা ডেকা, সহযোগী অধ্যাপক ডাঃ দীপাংকৰ হাজৰিকাক নিলম্বনৰ লগতে বিভাগীয় কাৰ্যব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছে। একেদৰে ষ্টাফ নাৰ্ছ চন্দনা নাথ,

পম্পী দেৱী আৰু আই চি ইউ টেকনিচিয়ান ঈশাশজ্যোতি তালুকদাৰকো নিলম্বনৰ নির্দেশ দিয়া হৈছে। এই তদন্ত প্রতিবেদনত অৱশ্যে ঘটনাৰ পাছতহৈ গ্রেপ্তাৰ কৰা নার্ছ ভানুপ্রিয়াৰ নাম উল্লেখ কৰা হোৱা নাই। অনুৰূপধৰণে কর্তব্যৰ গাফিলতিৰ অভিযোগত স্নাতকোত্তৰ শ্রেণীৰ দুগৰাকী শিক্ষার্থী ডাঃ ঋষিকেশ ঠাকুৰীয়া আৰু ডাঃ পূজাক চিকিৎসা মহাবিদ্যালয়খনৰ পৰা ছমাহৰ বাবে বহিস্কাৰ কৰা হৈছে বুলি ডাঃ চৌধুৰীয়ে জানিবলৈ দিয়ে।

ইপিনে নৱজাতকৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ৰাজ্য চৰকাৰে তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰি চিকিৎসা মহাবিদ্যালয় হাস্পতালখনৰ অধ্যক্ষ তথা মুখ্য অধীক্ষক ডাঃ অচ্যুৎ বৈশ্য আৰু অতিৰিক্ত অধীক্ষক ডাঃ প্রদীপ কুমাৰ দাসলৈ পত্র প্রেৰণ কৰিছে। ৰাজ্য চৰকাৰৰ চিকিৎসা, শিক্ষা আৰু গৱেষণা বিভাগৰ আয়ুক্ত সচিব সিদ্ধার্থ সিঙে প্রেৰণ কৰা এই পত্ৰযোগে ভৱিষ্যতে যাতে এনে ধৰণৰ ঘটনা সংঘটিত নহয় তাৰ বাবে সতর্ক হৈ থাকিবলৈ হাস্পতাল কর্তৃপক্ষক নির্দেশ দিয়া হৈছে। তদুপৰি সুৰক্ষা সম্পৰ্কীয় নীতি আৰু কার্যবিধি কঠোৰভাৱে মানি চলিবলৈ কর্তৃপক্ষক নির্দেশ দিয়া হৈছে। ০০০

০০০০০

ধেমাজিত বন বিভাগৰ এটা দলে আজি এটা অবৈধ কাঠফলা মিলৰ লগতে বৃহৎ পৰিমাণৰ চোৰাং কাঠ জব্দ কৰে। বনাঞ্চলিক বিষয়া ক্ষীৰোদ শইকীয়াৰ নেতৃত্বত বন বিভাগৰ দলটোৱে দাম্বুক তালাচী চকীৰ সহযোগত ভদিয়াচুক গাঁৱৰ পৰা মিলটো জব্দ কৰে। দলটোৱে এই সন্দৰ্ভত পৰৱৰ্তী তদন্ত অব্যাহত ৰাখিছে।

০০০০০

সুধাকণ্ঠ ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ৬ ছেপ্তেম্বৰ শনিবাৰে নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত গীতিকাৰ, সাহিত্যিক, সাংবাদিক আৰু চিত্ৰকৰ হিচাপে ড০ ভূপেন হাজৰিকাৰ মূল্যায়ন কৰাৰ প্ৰয়াস কৰা হ'ব। বিশিষ্ট গীতিকাৰ ড০ দিনেশ বৈশ্য, বিশিষ্ট নিৱন্ধকাৰ ড০ পৰমানন্দ মজুমদাৰ আৰু বিশিষ্ট সাংবাদিক মণি মহন্তই ভাগ ল'বলগীয়া এই আলোচনাৰ অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ ৰাষ্ট্ৰীয় আয়োগে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে আজি গুৱাহাটীত এখন কৰ্মশালা অনুষ্ঠিত হয়। দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়ৰ অধীনৰ এই আয়োগে অসম চৰকাৰৰ সহযোগত মাণ্ডলিক পৰ্যায়ত সামৰ্থ বৰ্ধন আৰু সজাগতা সৃষ্টিৰ বাবে এই কৰ্মশালাৰ আয়োজন কৰে। খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত এই কৰ্মশালাত অসমৰ উপৰি অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰাৰ প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ পৰিষদৰ কাৰ্যবাহী সদস্য ড° বিনীতা আগৰৱালে এই অনুষ্ঠানত দিয়া ভাষণত উত্তৰ-পূৱত থকা অনন্য সুবিধা আৰু দক্ষতা বিকাশৰ সুযোগ সমূহৰ বিষয়ে উল্লেখ কৰে। একেদৰে আন এগৰাকী কাৰ্যবাহী সদস্য ড° মীনা পাহুজাই প্ৰযুক্তি নিৰ্ভৰ অৰ্থনীতি দাবী অনুসৰি দক্ষতা বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানৰ সামৰণি ভাষণত পৰিষদৰ সঞ্চালক ড° সুভাষ দেশমুখে উত্তৰ-পূৱৰ ৰাজ্যসমূহৰ সৈতে বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ পৰিষদৰ সমন্বয় সাধনত গুৰুত্ব আৰোপ কৰে। উল্লেখযোগ্য যে ২০১৮ চনত কেন্দ্ৰীয় চৰকাৰে প্ৰতিষ্ঠা

কৰা ৰাষ্ট্ৰীয় বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ পৰিষদে দেশৰ বিভিন্ন প্ৰান্তত বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণ প্ৰদানৰ দিহা কৰি আহিছে। এই পৰিষদ দেশৰ বৃত্তিমুখী শিক্ষা আৰু প্ৰশিক্ষণৰ গুণগত মানৰ উন্নয়নৰ প্ৰতি দায়ৰদ্ধ।

oooooo

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ